# বলিভিয়াৰ লা পাজত ভাৰত–বলিভিয়া বিদেশমন্ত্ৰনালয়ৰ প্ৰথম পৰামৰ্শমূলক বৈঠক ।

২১ নভেম্বৰ ২০১৪

২০১৪ চনৰ ২০ নভেম্বৰত ভাৰত গণতন্ত্ৰ আৰু প্লুৰিনেচনেল বলিভিয়া ৰাষ্ট্ৰৰ মাজত বিদেশ মন্ত্ৰনালয়ৰ প্ৰথম লানি পৰামৰ্শমূলক বৈঠক লা পাজত অনুষ্ঠিত হয় । ভাৰতীয় প্ৰতিনিধি দলৰ নেতৃত্ব বহন কৰে বিদেশ মন্ত্ৰনালয়ৰ বিশেষ সচিব (আমেৰিকা আৰু চিপিভি)শ্ৰী আৰ স্বামীনাথন আৰু বলিভিয়াৰ নেতৃত্ব বহন কৰে বলিভিয়াৰ উপ বিদেশমন্ত্ৰী মি: জুয়ান কাৰ্লোচ আলুৰৱালডে তেজাডাই ।

সৌহাৰ্দ্যপূৰ্ণ পৰিবেশৰ বৈঠক খন অনুষ্ঠিত হয় ।বৈঠক কালত ৰাজনৈতেক,বাণিজ্যিক,বিনিয়োগ আৰু প্ৰযক্তিগত সহযোগিতাৰ লগতে সামগ্ৰিক দ্বিপাক্ষীক বিষয়সমূহ আলোচনাৰ কেন্দ্ৰ হয় ।বৈঠক কালত পৰস্পৰ দুয়োপক্ষি উপলদ্ধি কৰে যে বৰ্তমানৰ দ্বিপাক্ষীক সম্পৰ্ক,বিশেষ কৰি আৰ্থিক বিষয়ৰ সহযোগিতাৰ বাস্তৱ সম্ভাৱনাৰ প্ৰতিফলন নহয়,অথচ এই সম্পৰ্কৰ মাজত বিপুল সম্ভাৱনা আছে ।এই প্ৰচুৰ সম্ভাৱনাৰ বাস্তৱ ৰূপায়নৰ বাবে আৰু এই সকলো বাধা দূৰ কৰাৰ বাবে পৰস্পৰে ঐক্যমত হয় ।দুয়োপক্ষই আন বহুতো নতুন সহযোগিতাৰ ক্ষেত্ৰ চিন্হিত কৰা হয় ।

দুয়োপক্ষি আঞ্চলিক আৰু আৰ্ন্তজাতিক ক্ষেত্ৰৰ গুৰূত্বপূৰ্ণ বিষয়ৰ সম্বন্ধে মতবিনিময় কৰে ।

শ্ৰী স্বমীনাথনে পাচত বলিভিয়াৰ সন্মানীয় বিদেশ মন্ত্ৰী মি:ডেভিড ছোকেহুয়ানকাৰ সৈতেও সাক্ষাৎ কৰে ।

দুয়োপক্ষৰ প্ৰতিনধি দলৰ নেতা সকলে প্ৰথম লানি বিদেশ মন্ত্ৰনালয়ৰ পৰামৰ্শমুলক বৈঠক সম্বন্ধে সন্তোষ প্ৰকাশ কৰে আৰু পৰবৰ্তী বৈঠক দিল্লীত উভয় পক্ষৰ সন্মতি মৰ্মে গৃহিত সময়ত অনুৰ্ষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহন কৰা হয় ।

লা পাজ

২০ নভেম্বৰ ২০১৪